# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 31-OCT-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*

———————————————————

উন্নয়নমুখী পৰিকল্পনাৰ জৰিয়তে এসময়ত অৱহেলাপূৰ্ণ অঞ্চল বুলি খ্যাত ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰটো বৰ্তমান বিকশিত অঞ্চললৈ ৰূপান্তিৰত হৈছে বুলি আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই আজি লখিমপুৰত কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰি এই সন্দৰ্ভত কেইবাটাও গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়ায়। ভাষণ প্ৰসঙ্গত ড০ শৰ্মাই ৰাজ্যখনৰ সামগ্ৰিক উন্নয়নৰ খতিয়ান দাঙি ধৰে।

*(বাইট ঃ মুখ্যমন্ত্ৰী)*

তেওঁ লখিমপুৰ চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত আয়োজিত এখন জনসভাত জনসাধাৰণক উদ্দেশি ভাষণ দিয়ে। তেওঁ এই সভাতে ২৮৯ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা ২০৫ খন বিছনাযুক্ত লখিমপুৰ চিকিৎসা মহাবিদ্যালয়ৰ ছুপাৰ স্পেছিয়েলিটি হাস্পতাল আৰু নাৰ্ছিং কলেজ নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰে। ড০ শৰ্মাই ইয়াৰ পূৰ্বে ৩০ খন আসনযুক্ত লখিমপুৰ কেন্সাৰ হাস্পতালৰ কেইবাটাও বিভাগ ৰাইজৰ বাবে মুকলি কৰে। ভাষণ প্ৰসঙ্গত তেওঁ কৰ্কট ৰোগৰ চিকিৎসাত চিকিৎসকসকলতকৈও নাৰ্চসকলৰ অৱদান অধিক বুলি উল্লেখ কৰে। নাৰ্চিং কলেজৰ সন্দৰ্ভত তেওঁ কয় যে এই মহাবিদ্যালয়খনত বি এছ্ চি নাৰ্চিঙৰ উপৰি এম এছ্ চি নাৰ্চিঙৰ ব্যৱস্থা কৰা হ'ব। ইয়াৰ বাবে প্ৰাৰম্ভিক প্ৰস্তুতি আৰম্ভ হৈছে বুলিও তেওঁ মন্তব্য কৰে। ৰাজ্যত অহা চাৰি-পাঁচ বছৰৰ ভিতৰত ৩০খন চিকিৎসা মহাবিদ্যালয় নিৰ্মাণ কৰা হ'ব বুলি তেওঁ জানিবলৈ দিয়ে। প্ৰতি বছৰে দুখনকৈ মেডিকেল কলেজ স্থাপন কৰা হৈছে বুলিও তেওঁ উল্লেখ কৰে। প্ৰতি বছৰে ৰাজ্য চৰকাৰে ৰাজ্যত প্ৰায় দুহেজাৰ গৰাকী নাৰ্চক নিযুক্তি দি আহিছে বুলি তেওঁ প্ৰকাশ কৰে। ছুপাৰ স্পেচিয়েলিটী হাস্পতালখনত কেইবাটাও বিভাগ স্থাপন কৰা বুলি উল্লেখ কৰি তেওঁ কয় যে ইয়াৰ বাবে প্ৰয়োজনীয় অত্যাধুনিক সা-সৰঞ্জামৰো ব্যৱস্থা কৰা হ'ব।

০০০০০

দেশৰ বিভিন্ন স্থানৰ লগতে অসমতো আজি চৰ্দাৰ বল্লভ ভাই পেটেলৰ ডেৰশ বছৰীয়া জয়ন্তী উপলক্ষে ৰাষ্ট্ৰীয় একতা দিৱস  পালন কৰা হয়। ৰাষ্ট্ৰীয় একতা দিৱস উপলক্ষে ৰাজ্যৰ বিভিন্ন স্থানত আজি পুৱা একতাৰ বাবে দৌৰ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। তদুপৰি চৰ্দাৰ বল্লভ ভাই পেটেললৈ শ্ৰদ্ধা নিবেদন কৰি বিভিন্ন কাৰ্যসূচীৰো আয়োজন কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ৰাষ্ট্ৰীয় একতা দিৱসত বিচক্ষণ ৰাজনীতিবিদ গৰাকীলৈ শ্ৰদ্ধা নিবেদন কৰাৰ লগতে সকলোকে ৰাষ্ট্ৰীয় সংহতি আৰু একতা অক্ষুণ্ণ ৰখাৰ বাবে নিজকে সমৰ্পণ কৰিবলৈ আহ্বান জনাইছে।

একতা দিৱস উপলক্ষে কামৰূপ জিলাৰ বাইহাটা চাৰিআলি আৰক্ষীৰ উদ্যোগত এখন বাটৰ নাট প্ৰদৰ্শন কৰা হয়। নিচাযুক্ত দ্ৰব্য বিৰুদ্ধে যুৱ প্ৰজন্মক সজাগ কৰাৰ লক্ষ্যৰে এই বাটৰ নাট প্ৰদৰ্শন কৰা হয়। বাইহাটা চাৰিআলি আৰক্ষীৰ উদ্যোগত পুৱাৰ ভাগত একতাৰ দৌৰ শীৰ্ষক কাৰ্যসূচী অনুষ্ঠিত হয়।

বজালীৰ জিলা বিজেপিৰ উদ্যোগত পাঠশালাত একতাৰ সমদল  শীৰ্ষক এটি কাৰ্যসূচী অনুষ্ঠিত হয়। জিলা বিজেপিৰ কেইবাগৰাকীও কৰ্মীৰ এই সমদলত অংশ লৈ আধুনিক ভাৰতৰ ৰূপকাৰগৰাকীলৈ শ্ৰদ্ধা জ্ঞাপন কৰে।

বৰপেটাত জিলা প্ৰশাসন আৰু আৰক্ষীৰ উদ্যোগত একতাৰ দৌৰ কাৰ্যসূচী অনুষ্ঠিত হয়। আৰক্ষীৰ লগতে কেইবাখনো শিক্ষানুষ্ঠানৰ ছাত্ৰ-ছাত্ৰীয়ে এই কাৰ্যসূচীত অংশগ্ৰহণ কৰে।

পশ্চিম কাৰ্বি আংলঙতো জিলা আৰক্ষীৰ সহযোগত হামৰেনত ৰাষ্ট্ৰীয় একতা দিৱস কাৰ্যসূচী অনুষ্ঠিত হয়। এই দিৱসৰ সৈতে সংগতি ৰাখি হামৰেন থানাৰ পৰা জিৰছং বিদ্যালয়লৈ একতাৰ সমদল উলিওৱা হয়।

০০০০০

বহু প্ৰতিক্ষাৰ অন্তত আজি অসম সহ দেশৰ বিভিন্ন প্ৰান্তত জুবিন গাৰ্গৰ অন্তিমখন ছবি **ৰৈ ৰৈ বিনালে** মুক্তি দিয়া হয়। ৰাজ্যৰ বহু ঠাইত পুৱা চাৰি বাজি ২৫ মিনিটত ছবিখনৰ প্ৰথমটো দৰ্শনী প্ৰদৰ্শন কৰা হয়। প্ৰাণৰ শিল্পীগৰাকীৰ শেষ ছবিখন উপভোগ  কৰিবলৈ ধলপুৱাতে বিভিন্ন ঠাইৰ ছবিগৃহসমূহত অনুৰাগীসকলে ভিৰ কৰে। পুৱাৰ ভাগত অহা বৰষুণকো নেওচি ডেকা-বুঢ়া নিৰ্বিশেষে সকলো বয়সৰ লোকে ছবিগৃহ ভিৰ কৰিছে। প্ৰতিটো ছবিগৃহতে অহা কিছুদিনলৈ সকলো দৰ্শনীৰ বাবে দৰ্শকসকলে টিকট ক্ৰয় কৰিছে।

কাছাৰ জিলাৰ শিলচৰৰ ছবিগৃহসমূহতো অগণন দৰ্শকৰ ভিৰ পৰিলক্ষিত হয়। ছবিখন উপভোগ কৰি অশ্ৰুসিক্ত নয়নেৰে শিল্পীগৰাকীক সোঁৱৰণ কৰে। কেইবাটাও ছবিগৃহত শিল্পীগৰাকীলৈ শ্ৰদ্ধা জনোৱা হয়। বৰপেটা জিলাতো পুৱাই অনুৰাগীসকলে ছবিখন উপভোগ কৰিবলৈ ছবিগৃহসমূহত ভিৰ কৰে। ছবিগৃহত শিল্পীগৰাকীৰ কালজয়ী সৃষ্টি মায়াবিনী ৰাতিৰ বুকুত শীৰ্ষক গীতটো গাই দৰ্শকসকলে প্ৰাণৰ শিল্পীগৰাকীক শ্ৰদ্ধা জনায়।

০০০০০

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে আয়োজন কৰা ষষ্ঠ  গোলাপ শইকীয়া সোঁৱৰণী বাতৰি পৰিৱেশন প্ৰতিযোগিতা ২০২৫ৰ পুৰস্কাৰসমূহ আজি প্ৰদান কৰা হয়। আকাশবাণী গুৱাহাটীৰ সন্মিলন কক্ষত দিনৰ ২ বজাত অনুষ্ঠিত বঁটা বিতৰণি অনুষ্ঠানত নিষ্ঠা বৰগোহাঁই-প্ৰথম, দিব্যা আত্ৰে-দ্বিতীয়, অন্বেষা ফুকন আৰু ৰোহিত গাওঁখোৱাক যুটীয়াভাৱে তৃতীয় পুৰস্কাৰ প্ৰদান কৰা হয়। এই বঁটা বিতৰণী অনুষ্ঠানত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ মুৰব্বী ৰবীন বড়োয়ে আদৰণি ভাষণ আগবঢ়ায়। অনুষ্ঠানসমূহৰ মুৰব্বী কৰ্ডলিন থেংকুৰে প্ৰতিযোগীসকলক শুভেচ্ছা জনাই আকাশবাণীৰ বাতৰি আৰু অনুষ্ঠানসমূহৰ চমু আলোকপাত কৰে। বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে এই প্ৰতিযোগিতাৰ পটভূমিৰ ব্যাখ্যা আগবঢ়ায়। অনুষ্ঠান কাৰ্যবাহী কাৰ্তিক সূত্ৰধৰ, চন্দ্ৰিমা শৰ্মাৰ লগতে প্ৰচাৰণ কাৰ্যবাহী অজয় বৰা আৰু বাতৰি পৰিবেশক অৰুণিমা গোস্বামীয়ে নিজৰ ভাষণত প্ৰয়াত গোলাপ শইকীয়াৰ স্মৃতি সোঁৱৰণ কৰে। অনুষ্ঠানত উপস্থিত থকা দুগৰাকী বিজয়ী প্ৰতিযোগীৰ অভিভাৱক অভিজিৎ বৰগোহাঁই আৰু গজেন শৰ্মাই আকাশবাণীৰ বাতৰি বিভাগৰ এই প্ৰচেষ্টাৰ শলাগ লয়।

প্ৰতিযোগিতাত বিজয়ীসকলৰ সৈতে অন্তৰংগ আলাপেৰে কাইলৈ নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। তেওঁলোকৰ সৈতে কথা পাতিছে আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে।

০০০০০

সমাপ্ত